**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-09-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***
-----------------------------

১। উজ্জয়িনীত আজি চাফাই মিত্ৰ সন্মিলনত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয় যে, উজ্জয়িনীৰ মহাকালত সংস্কৃতি আৰু সভ্যতাৰ পৰম্পৰা কেইবা শতিকাজুৰি প্ৰচলিত হৈ আহিছে।

২। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ বাবে সমৃদ্ধিশালী কৃষক মূলমন্ত্ৰৰ অধীনত দেশৰ কৃষকৰ জীৱন আৰু জীৱিকাৰ উন্নতিৰ বাবে ১৪ হাজাৰ ২০০ কোটি টকা আৱণ্টন দিয়া হৈছে।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু চত্তিশগড়ৰ ঠায়ে ঠায়ে অহা ২৪ ছেপ্তেম্বৰ পৰ্যন্ত ধাৰাসাৰ বৰষুণৰ হোৱাৰ আগজাননী প্ৰকাশ কৰিছে।

৪। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ক্ষেত্ৰীয় কাৰ্যালয়সমূহৰ সৈতে পৰিচ্ছন্নতাৰ বিষয়টোক আনুষ্ঠানিকতা তথা চৰকাৰৰ কাম-কাজক গতি প্ৰদান কৰাৰ লক্ষ্যৰে অহা ২ অক্টোবৰৰ পৰা এটা বিশেষ অভিযানৰ আয়োজন কৰিছে।

**আৰু**

৫। বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত আজি ভাৰত আৰু বাংলাদেশৰ মাজৰ প্ৰথমখন টেষ্ট খেলত ভাৰতে বৰ্তমানলৈ ৪টা উইকেট হেৰুৱাই ১৩৬ ৰান কৰি খেলি আছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, উজ্জয়িনীৰ মহাকালত সংস্কৃতি আৰু সভ্যতাৰ পৰম্পৰা কেইবা শতিকাজুৰি প্ৰচলিত হৈ আহিছে। উজ্জয়িনীত আজি চাফাই মিত্ৰ সন্মিলনত অংশগ্ৰহণ কৰি দিয়া ভাষণত তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে ইন্দোৰ-উজ্জয়িনী সংযোগী ছটা শাৰীযুক্ত পথ প্ৰকল্পৰ ভূমি পূজন অনুষ্ঠানো ভাৰ্চুৱেল ব্যৱস্থাৰ জৰিয়তে সম্পন্ন কৰে।

এই অনুষ্ঠানত দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, বিগত ১০টা বছৰত পৰিচ্ছন্নতা অভিযান এটা ৰাষ্ট্ৰজোৰা কাৰ্যসূচী হিচাপে পৰিগণিত হৈছে আৰু এই অভিযানে দেশত অভূতপূৰ্ব পৰিৱৰ্তন সাধন কৰিছে। মধ্যপ্ৰদেশৰ কেইবাখনো নগৰ, মহানগৰক ইতিমধ্যে চাফাই মিত্ৰৰ বাবে নিৰাপদ নগৰ হিচাপে ঘোষণা কৰাৰ বিষয়ে জানিব পাৰি সুখী হোৱা বুলি তেওঁ মত প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে, ২০২৫ চনলৈকে চলিবলগীয়া স্বচ্ছতা ভাৰত অভিযানৰ দ্বিতীয় পৰ্যায়ত আমি সম্পূৰ্ণ পৰিচ্ছন্নতাৰ লক্ষ্যত উপনীত হ'ব লাগিব।

অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ডঃ মোহন যাদৱে কয় যে, মধ্যপ্ৰদেশে স্বচ্ছ ভাৰত অভিযানৰ ক্ষেত্ৰত দেশৰ ভিতৰতে দ্বিতীয় স্থান দখল কৰিছে। ইন্দোৰে সাতবাৰ দেশৰ ভিতৰত সবাতোকৈ পৰিচ্ছন্ন নগৰৰ মৰ্যাদা লাভ কৰাৰ লগতে ভূপালেও দেশৰ ভিতৰত পৰিচ্ছন্ন ৰাজধানী হিচাপে গৌৰৱময় সন্মান লাভ কৰা বুলি তেওঁ প্ৰকাশ কৰে। আনহাতে আজিৰ এই অনুষ্ঠানত ভাষণ দি মধ্যপ্ৰদেশৰ ৰাজ্যপাল

মংগোভাই পেটেলে কয় যে, উজ্জয়িনী-ইন্দোৰ সংযোগী ছয় শাৰীযুক্ত ৰাষ্ট্ৰীয় ঘাইপথটোৱে আধ্যাত্মিক-সাংস্কৃতিক দিশৰ পৰা সমৃদ্ধিশালী নগৰ উজ্জয়িনীলৈ আহিবলগীয়া ভক্তসকলৰ বাবে সুচলতাৰ সৃষ্টি কৰিব। একেসময়তে এই ৰাষ্ট্ৰীয় ঘাইপথটোৱে পৰ্যটন, সামাজিক আৰু ধৰ্মীয় দিশৰ পৰাও অঞ্চলটোৰ উন্নয়ন সাধন কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে আজিৰ এই অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে পাঁচগৰাকী অনাময় কৰ্মীক সন্মান প্ৰদান কৰে।

০০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ এশ দিন উপলক্ষে চৰকাৰে **বিকশিত ভাৰতৰ বাবে সমৃদ্ধিশালী কৃষক** মূলমন্ত্ৰ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, আমাৰ কৃষকসকলক কেৱল খাদ্য যোগানকাৰীয়েই নহয় দেশৰ বাবে শক্তি আৰু সাৰ যোগানকাৰী হিচাপে পৰিণত কৰাৰ প্ৰতিও তেওঁৰ চৰকাৰখন উৎসৰ্গিত।

উল্লেখযোগ্য যে দেশৰ কৃষকসকলৰ উন্নয়ন সাধনৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কৃষি উদ্ভাৱনক প্ৰসাৰিত কৰাৰ উদ্দেশ্যৰে কৃষি আন্তঃগাঁথনি বৃদ্ধি আৰু কৃষকৰ সহায়ৰ বাবে কৃষি আন্তঃগাঁথনি পুঁজিৰ সম্প্ৰসাৰণৰ লগতে কৃষকৰ জীৱন আৰু জীৱিকাৰ উন্নতিৰ বাবে সাতখন আঁচনিৰ জৰিয়তে ১৪ হাজাৰ ২০০ কোটি টকা আৱণ্টন দিয়া হৈছে। একেদৰে ডিজিটেল প্ৰযুক্তিৰ জৰিয়তে কৃষি আধুনিকীকৰণৰ বাবে ডিজিটেল কৃষি অভিযানো আৰম্ভ কৰা হৈছে।

মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি চৰকাৰীভাৱে যুগুতাই উলিওৱা তথ্যত লগতে প্ৰকাশ পোৱা মতে কেন্দ্ৰীয় চৰকাৰে ষ্টাৰ্টআপ আৰু গ্ৰাম্য উদ্যোগসমূহক সহায় কৰাৰ বাবে এগ্ৰিছিউৰ পুঁজি আৰম্ভ কৰিছে। তদুপৰি শস্যৰ ক্ষতিৰ পৰিমাণ হ্ৰাস কৰি জীৱনকাল বৃদ্ধি কৰাৰ উদ্দেশ্যে ঘেঁহু সংৰক্ষণৰ বাবে তিনি লাখ মেট্ৰিক টন ভাণ্ডাৰ প্ৰস্তুত কৰা হৈছে।

০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ক্ষেত্ৰীয় কাৰ্যালয়সমূহৰ সৈতে পৰিচ্ছন্নতাক আনুষ্ঠানিকতা তথা চৰকাৰৰ কাম-কাজক গতি প্ৰদান কৰাৰ লক্ষ্যৰে অহা ২ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈ এটা বিশেষ অভিযানত ৪.০ত অংশ ল'ব। এই অভিযানৰ জৰিয়তে কাৰ্যালয় পৰিসৰ পৰিচ্ছন্ন কৰি ৰখা, চৰকাৰী কাম-কাজ পলম হোৱাৰ দৰে বিষয়সমূহ হ্ৰাস কৰা, উন্নত স্থানৰ ব্যৱস্থা আৰু বিভিন্ন মাধ্যমৰ জৰিয়তে সজাগতা সৃষ্টি কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে। তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ সচিবগৰাকী যোৱা ৬ ছেপ্তেম্বৰত এই অভিযান ৰূপায়ণৰ প্ৰস্তুতি সন্দৰ্ভত সংবাদমাধ্যমৰ মুৰব্বীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু চত্তিশগড়ৰ ঠায়ে ঠায়ে অহা ২৪ ছেপ্তেম্বৰ পৰ্যন্ত ধাৰাসাৰ বৰষুণৰ হোৱাৰ আগজাননী প্ৰকাশ কৰিছে। একেদৰে উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড আৰু মধ্যপ্ৰদেশতো পৰৱৰ্তী তিনিটা দিনত ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বিভাগটোৱে জানিবলৈ দিছে।

০০০০০০০

কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে এন ডি এৰ নেতাসকলে প্ৰকাশ কৰা বিৰূপ মন্তব্যৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পত্ৰ প্ৰেৰণ কৰাক লৈ বিজেপিৰ সভাপতি জে পি নাড্ডাই আজি কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক সমালোচনা কৰিছে। কংগ্ৰেছৰ সভাপতিগৰাকীয়ে পত্ৰখনৰ জৰিয়তে শ্ৰী গান্ধীৰ ভাৱমূৰ্তিক সুৰক্ষিত কৰাৰ চেষ্টা কৰা বুলি শ্ৰী নাড্ডাই অভিযোগ তোলে। বিজেপি আৰু ইয়াৰ সহযোগী দলসমূহৰ একাংশ সদস্যই শ্ৰী গান্ধীৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য প্ৰকাশ কৰা বুলি অভিযোগ কৰি কংগ্ৰেছ সভাপতি খাৰ্গেই প্ৰেৰণ কৰা পত্ৰখনৰ পাছত বিজেপি সভাপতি নাড্ডাই এই সন্দৰ্ভত আন এখন পত্ৰ প্ৰেৰণ কৰে। এই পত্ৰত তেওঁ শ্ৰী গান্ধীক কংগ্ৰেছৰ যুৱৰাজ হিচাপে অভিহিত কৰি দেশৰ সবাতোকৈ পুৰণি ৰাজনৈতিক দলটো এতিয়া তেওঁৰ হেঁচাত পৰি এটা শ্ৰুতলিপি শুনা দলত পৰিণত হোৱা বুলি অভিযোগ কৰে। একে সময়তে তেওঁ প্ৰধানমন্ত্ৰী মোদীৰ লগতে অন্যান্য পিছপৰা সম্প্ৰদায়ৰ প্ৰতি আপত্তিজনক মন্তব্য প্ৰকাশ কৰা ব্যক্তিগৰাকীৰ হৈ শ্ৰী খাৰ্গেই কিয় যুক্তি দৰ্শাইছে বুলিও প্ৰশ্ন তোলে। কংগ্ৰেছ দলে গণতন্ত্ৰৰ ভাৱমূৰ্তি ম্লান কৰি তোলা বুলিও বিজেপিৰ সভাপতিগৰাকীয়ে অভিযোগ কৰে।

০০০০০০০

ছিকিমৰ মুখ্যমন্ত্ৰী তথা ছিকিম ক্ৰান্তিকাৰী মৰ্চা দলৰ মুৰব্বী প্ৰেম সিং টামাঙে কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনোৱা **এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন** ব্যৱস্থাৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। এটা বিবৃতিত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, সমগ্ৰ দেশতে একে সময়তে নিৰ্বাচন অনুষ্ঠিত হ'লে নিৰ্বাচনী প্ৰচেষ্টা তথা প্ৰশাসন আৰু অৰ্থনৈতিক বিকাশৰ সমূহীয়া প্ৰচেষ্টাকে ধৰি বিভিন্ন ক্ষেত্ৰত বিশেষভাৱে উপকৃত হ'ব পৰা যাব। তদুপৰি এই ব্যৱস্থাই ভোটদাতাসকলৰ বাবে নিৰ্বাচনী প্ৰক্ৰিয়াটোক সৰল কৰি তুলিব বুলিও তেওঁ মত প্ৰকাশ কৰে।

০০০০০০০

বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত আজি ভাৰত আৰু বাংলাদেশৰ মাজত দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন খেল চলি আছে। বাংলাদেশে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। আমালৈ বাতৰি অহাৰ পৰলৈকে ভাৰতে ৪টা উইকেট হেৰুৱাই ১৩৬ ৰান কৰি খেলি আছে।

ভাৰতীয় দলটোৰ নেতৃত্ব ৰোহিত শৰ্মাই বহন কৰাৰ বিপৰীতে বাংলাদেশৰ দলটোক নাজমুল হুছেইন শ্বান্তোৱে নেতৃত্ব দিছে। উল্লেখযোগ্য যে ভাৰত আৰু বাংলাদেশ দুখন টেষ্ট খেল আৰু তিনিখন টী-টুৱেণ্টী ক্ৰিকেট খেলত অৱতীৰ্ণ হ'ব। টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেল কানপুৰৰ গ্ৰীণ পাৰ্ক ষ্টেডিয়ামত ২৭ ছেপ্তেম্বৰৰ পৰা খেলোৱা হ'ব। আনহাতে, টী-টুৱেণ্টী শৃংখলাৰ প্ৰথমখন খেল ৬ অক্টোবৰত গোৱালিয়ৰত দ্বিতীয়খন ৯ অক্টোবৰত দিল্লীত আৰু তৃতীয়খন খেল ১২ অক্টোবৰত হায়দৰাবাদত অনুষ্ঠিত হ'ব।

০০০০০০০

চাংজৌত অনুষ্ঠিত চীন অ'পেন ২০২৪ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাত ভাৰতৰ মালবিকা বানচ'ড়ে বিশ্বৰ ২৫ নম্বৰ স্থানৰ খেলুৱৈ স্কটলেণ্ডৰ কিৰস্তি গিলম'ৰক পৰাজিত কৰে। মালবিকাই গিলম'ৰক ২১-১৭, ১৯-২১, ২১-১৬ গেমত পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ তেওঁ জাপানৰ আকানে য়ামাগুশ্বিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

৪৫ সংখ্যক ডবা অলিম্পিয়াডত ভাৰতে অ'পেন আৰু মহিলা দুয়োটা শাখাতে অগ্ৰগতি লাভ কৰিছে। অ'পেন শাখাত ভাৰতে চীনক ২ দশমিক ৫ - ১ দশমিক ৫ পইণ্টত আৰু মহিলা শাখাত জৰ্জিয়াক

৩-১ পইণ্টত পৰাজিত কৰে। সাতটা ৰাউণ্ডৰ শেষত ভাৰতৰ পুৰুষ আৰু মহিলা দুয়োটা দলে ১৪ পইণ্টকৈ লাভ কৰি প্ৰতিযোগিতাখনত অপৰাজিত হৈ ৰয়। ভাৰত ইয়াৰ পাছত অ'পেন শাখাত ইৰাণৰ বিৰুদ্ধে আৰু মহিলাৰ শাখাত পোলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

সমাপ্ত